# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## শুক্ৰবাৰ, ২৭ মাৰ্চ, ২০২০

**হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম (খাদী আৰু গ্ৰাম্য উদ্যোগৰ অন্তৰ্গত), সংখ্যালঘু উন্নয়ন, খাদ্য অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ, সমাজ কল্যাণ, ভূমি সংৰক্ষণ, পাৰ্বত্য অঞ্চল উন্নয়ন, খনিজ আৰু খনিজাত সামগ্ৰী।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ২৮**

*বিষয় ঃ* **সংখ্যালঘু কল্যাণ আৰু উন্নয়ন আঁচনি**

শ্ৰীআবুল কালাম আজাদ ঃ

৩৩৯। মাননীয় সংখ্যালঘু কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সংখ্যালঘু কল্যাণ আৰু উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে কি কি আঁচনি ৰূপায়ণ কৰিছে জনাবনে? আঁচনিসমূহৰ নামৰ লগত আবণ্টিত ধনৰ পৰিমাণ উল্লেখ কৰিব।

(খ) যোৱা তিনিটা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক সংখ্যালঘু উন্নয়নৰ বাবে কিমান টকা আবণ্টন দিছিল? তাৰে কিমান টকা, কোনটো আঁচনিত ব্যয় কৰা হৈছে আৰু কিমান টকা ব্যয় নোহোৱাকৈ আছে, তথ্যসহকাৰে সদনত দাখিল কৰিব।

(গ) সংখ্যালঘু কল্যাণ আৰু উন্নয়নৰ বাবে চৰকাৰে নতুনকৈ কোনো আঁচনি ৰূপায়ণৰ কাম হাতত লৈছে নেকি? তথ্যসহকাৰে জনাব।

*বিষয় ঃ* **জলচ্ছেদ ব্যৱস্থাপনা সমিতি (WMC) সম্পৰ্কে।**

শ্ৰীঅশোক কুমাৰ সিংহী ঃ

৩৪০। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগৰ অধীনত ধুবুৰী জিলাত কিমানটা 'জলচ্ছেদ ব্যৱস্থাপনা' সমিতি (Watershed Management Committee) আছে? উক্ত সমিতিবোৰৰ গঠন কেতিয়া হৈছিল?

(খ) বিলাসীপাৰা মহকুমাৰ অধীনত কিমানটা জলচ্ছেদ সমিতি বৰ্তমানে চলি আছে? যদি চলি আছে, সমিতিবোৰৰ সবিশেষ, বিষয়ববীয়াৰ নাম, পদৱী গঠন কৰাৰ তাৰিখসহ সদনৰ মজিয়াত দাখিল কৰিব।

(গ) উক্ত Watershed Management Committee বোৰৰ নতুনকৈ গঠন কৰাৰ বাবে বিভাগে কিবা আদেশ/নিৰ্দেশ দিছেনে? যদি নিৰ্দেশ দিছে, তেন্তে সমিতিবোৰ গঠন কৰিছে নে? এইক্ষেত্ৰত স্থানীয় বিধায়কৰ লগত বিভাগে যোগাযোগ কৰে নে? সমিতিবোৰৰ তালিকাসহ সবিশেষ জনাব।

*বিষয় ঃ* **Sericulture প্ৰকল্প**

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

৩৪১। মাননীয় হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলায় Sericulture Department এ ২০১৭-১৮ হইতে ২০১৮-১৯ বর্ষে কতটি প্রকল্প দেওয়া হয়েছে?

(খ) কি কি প্রকল্প রূপায়ন করা হয়েছে?

(গ) আলগাপুর বিধান সভা সমষ্টির Sericulture এ কি কি প্রকল্প (Scheme) দেওয়া হয়েছে?

(বিস্তারিত বিবরণ দেবেন)

(ঘ) বর্তমানে Muga Mission (রেচম সূতা) এর অৱস্থা কি?

(ঙ) এই Muga Mission সফল করতে সরকার কি কোন পদক্ষেপ নিয়েছে? যদি নিয়ে থাকে, তবে কবে নাগাদ রূপায়ন করা হবে?

*বিষয় ঃ* **খাদী উৎপাদন কেন্দ্ৰ**

শ্ৰীদিপক কুমাৰ ৰাভা ঃ

৩৪২। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ দুধনৈ সমষ্টিত থকা একমাত্ৰ খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডৰ অধীনস্থ মাজ জাখিলী খাদী উৎপাদন কেন্দ্ৰটো অচল অৱস্থাত আছে। উক্ত উৎপাদন কেন্দ্ৰটো চৰকাৰৰ ফালৰ পৰা কাৰ্য্যক্ষম কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছেনে?

(খ) যদি লোৱা হৈছে, তেনেহ'লে কেনেকুৱা ব্যৱস্থা লৈছে? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **অনাথ আশ্ৰম আৰু বৃদ্ধাশ্ৰম**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

৩৪৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান বৃদ্ধাশ্ৰম আছে? জিলা ভিত্তিক তথ্য দিব।

(খ) অসমত কিমান শিশুৰ বাবে অনাথ আশ্ৰম আছে? জিলা ভিত্তিক তথ্য দিব।

(গ) নলবাৰীস্থিত 'শান্তি নিবাস অনাথ আশ্ৰম'খন ২০০৮ চনৰ পৰা চৰকাৰী ভূমিত আছে আৰু পৰিয়ালে এলাগি কৰা বৃদ্ধ লোকক আৱাস স্থান, খাদ্য আদি উপলব্ধ কৰাই আহিছে। এই অনুষ্ঠানটোক আনুষ্ঠানিকভাৱে উক্ত ভূমি প্ৰদান কৰাৰ কথা চৰকাৰে বিবেচনা কৰিব নেকি?

*বিষয় ঃ* **প্ৰকল্প**

শ্ৰীদিলীপ কুমাৰ পাল ঃ

৩৪৪। মাননীয় ভূমি সংৰক্ষণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) ভূমি সংৰক্ষণ বিভাগ দ্বাৰা ২০১৬-১৭, ২০১৭-১৮. ২০১৮-১৯ এবং ২০১৯-২০ বিত্তীয় বৰ্ষে কাছাড় জেলায় কি কি প্ৰকল্প গ্ৰহণ কৰা হয়েছে? বিধান সভা সমষ্টি ভিত্তিক তালিকা সদনে পেশ করার অনুরোধ জানাই।

(খ) শিলচৰ বিধান সভা সমষ্টিতে কতগুলো প্ৰকল্পের কাজ সম্পূৰ্ণ হয়েছে, তার সম্পূৰ্ণ তালিকা এবং কোন কোন প্ৰকল্পের কাজ বৰ্তমানে চলছে, আর কোন কোন প্ৰকল্প বন্ধ আছে, তার বিত্তীয় বৰ্ষ অনুযায়ী সম্পূৰ্ণ তালিকা পেশ করার অনুরোধ জানাই।

*বিষয় ঃ* **Block Coordinator/Project Asstt.** নিয়োগ।

শ্ৰীনজৰুল হক ঃ

৩৪৫। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত সমাজ কল্যাণ বিভাগৰ অধীনত যুগুত কৰা 'পোষণ অভিযান' আঁচনিৰ অন্তৰ্গত কিমানটা ব্লকত "Block Coordinator" আৰু "Project Asstt." নিয়োগ কৰা হৈছে আৰু কেইটা ব্লকত বাকী আছে?

(খ) বাকী থকা ব্লককেইটাত কেতিয়ালৈ নিয়োগ কৰিব?

*বিষয় ঃ* **অংগনৱাড়ী কেন্দ্ৰৰ সন্দৰ্ভত**

শ্ৰীচক্ৰধৰ গগৈ ঃ

৩৪৬। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ অংগনৱাড়ী কেন্দ্ৰ কিমান? তাৰেই ১১৫ মৰাণ সমষ্টিৰ অন্তৰ্গত বগীবিল, গৰুধৰীয়া, কলাখোৱা, লেজাই, কোটোহা, খোৱাং, নাহৰনি, ধেমেচি, পথালিবাম, চেপন, দিখাৰী, গজপুৰীয়া, তিলৈনগৰ, বামুনবাৰী, ৰাংচালি, দিখাৰী আৰু মৰান এই মুঠ ১৬ (ষোল্ল)খন পঞ্চায়তত থকা অংগনৱাড়ী কেন্দ্ৰসমূহৰ নাম, তালিকা আৰু ঠিকনাসহ প্ৰদান কৰিব।

(খ) এই কেন্দ্ৰসমূহৰ ভগ্নপ্ৰায় ঘৰসমূহ মেৰামতিৰ কিবা ব্যৱস্থা লৈছেনে? যদি লৈছে, নিৰ্মাণ প্ৰতিষ্ঠানৰ নাম-ঠিকনাসহ জনাব।

*বিষয় ঃ* **সুলভ মূল্যৰ খাদ্য যোগান**

শ্ৰীআমিনুল ইছলাম ঃ

৩৪৭। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা দুটা বিত্তীয় বছৰত সমবায় সমিতিসমূহৰ জৰিয়তে সৰ্বমুঠ কিমান সুলভ মূল্যৰ খাদ্য সামগ্ৰী আৰু কেৰাচিন তেল বিতৰণ কৰা হৈছে?

(বৰ্ষ ভিত্তিক তথ্য দিব)

(খ) সুলভ মূল্যত যোগান ধৰা খাদ্য সামগ্ৰীৰ ভিতৰত কিমান স্থানীয় কৃষকৰ পৰা আৰু কিমান অসমৰ বাহিৰৰ পৰা ক্ৰয় কৰা হৈছিল? স্থানীয় কৃষকৰ পৰা ক্ৰয় কৰা আৰু অসমৰ বাহিৰৰ পৰা ক্ৰয় কৰা খাদ্য সামগ্ৰীৰ মূল্যমানৰ পাৰ্থক্য কি? স্থানীয় কৃষকৰ পৰা আৰু অধিক পৰিমাণে খাদ্য সামগ্ৰী ক্ৰয় কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে?

(গ) নগাঁও আৰু মৰিগাঁও জিলাত কৰ্মৰত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ নাম, পদবীসহ ফোন নম্বৰৰ তালিকা দিব।

*বিষয় ঃ* **সমবায়সমূহত খাদ্য সামগ্ৰী বিতৰণ সন্দৰ্ভত।**

শ্ৰীৰফিকুল ইছলাম ঃ

৩৪৮। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত কিমানটা চৰকাৰী সমবায় সমিতি লিঃ আছে?

(খ) উক্ত সমবায় সমিতিসমূহত কি কি আৰু কিমান পৰিমাণৰ খাদ্য সামগ্ৰী চৰকাৰীভাৱে আবণ্টন দিয়া হয়? খাদ্য সামগ্ৰীৰ প্ৰকাৰসমূহৰ লগতে আবণ্টিত পৰিমাণ উল্লেখ কৰিব।

(গ) উক্ত সামগ্ৰীসমূহ প্ৰতিগৰাকী হিতাধিকাৰীৰ বাবে কিমান পৰিমাণৰ সামগ্ৰী আবণ্টন দিয়া হয়? সামগ্ৰীসমূহৰ প্ৰকাৰ উল্লেখ কৰি তালিকা সদনত দাখিল কৰিব।

*Sub.* : **Mandia ICDS Project**

Shri SHERMAN ALI AHMED :

349. Will the Minister of Social Welfare be pleased to state :

(a) What are the amount and material sanctioned to Mandia ICDS project during 2018-19 and 2019-20 ? Please furnish year wise-details with dates of release of such amount and material.

(b) Who are the suppliers of different material-components to different ICDS projects in Barpeta district ? Please furnish details.

(c) What are the criteria for selection of these suppliers ? Please furnish details including guidelines, if any.

(d) Would the Government be pleased to engage ICDS projects local suppliers for different material components ?

*বিষয় ঃ* **পেঞ্চন পোৱা লোকৰ সংখ্যা**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

৩৫০। মাননীয় পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনস্থ কিমান সংখ্যক অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে বৰ্তমান পেঞ্চন লাভ কৰি আছে?

(খ) এনেভাৱে পেঞ্চন লাভ কৰি থকাসকলৰ বাবদ অসম চৰকাৰে প্ৰতিবছৰে কিমান পৰিমাণৰ টকা খৰচ কৰে?

(গ) ইয়াৰ উপৰিও কিমান সংখ্যক লোকে বৰ্তমান Family Pension লাভ কৰি আছে?

(ঘ) এনেভাৱে Family পেঞ্চন লাভ কৰি থকাসকলৰ বাবে অসম চৰকাৰে বছৰি কিমান টকা খৰচ কৰি আছে?

*বিষয় ঃ* **খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰী**

শ্ৰীআবুল কালাম আজাদ ঃ

৩৫১। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ খাদ্য সুৰক্ষা আইনৰ অধীনত বৰপেটা জিলাৰ বজালী মহকুমাৰ অন্তৰ্গত ভৱানীপুৰ সমষ্টিত কিমানজন হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে? তালিকা সদনত দাখিল কৰিব।

(খ) বজালী মহকুমাৰ অধীনত হোৱা Population Censusৰ আধাৰত কিমানজন হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত হ'বলৈ বাকী আছে?

(গ) এই বাকী থকা হিতাধিকাৰীসকলক চৰকাৰে NFSA Card প্ৰদানৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(ঘ) যদি কৰিছে, তেন্তে কেতিয়াৰ পৰা এই NFSA Card বনাবলৈ ERCMS website ত CAP মুকলি কৰি দিব? সবিশেষ জনাব।

*বিষয় ঃ* **ভূমি সংৰক্ষণ আঁচনি**

শ্ৰীদুৰ্গা ভূমিজ ঃ

৩৫২। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমা বিধান সভা সমষ্টিত ভূমি সংৰক্ষণৰ বাবে বিগত ৪ বছৰত কিমান আঁচনি কাৰ্য্যকৰী কৰা হ'ল? কি কি আঁচনিৰ নামত মুঠ কিমান খৰছ কৰা হ'ল?

(খ) আঁচনিৰ বিপৰীতে কিমান ধন অবণ্টন দিয়া হ'ল? সবিশেষ জনাব।

*বিষয় ঃ* **সুলভ মূল্যৰ সামগ্ৰী, কমিচন**

শ্ৰীনজৰুল হক ঃ

৩৫৩। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগে বৰ্তমানে সুলভ মূল্যৰ দোকানৰ যোগেদি কি কি সামগ্ৰী বিতৰণ কৰি আছে আৰু সামগ্ৰীসমূহ গ্ৰাহকক কি দামত যোগান ধৰি আছে?

(খাদ্যৰ নাম, মূল্যৰ তালিকা সদনত দাখিল কৰিব।)

(খ) সুলভ মূল্যৰ চেনি কেতিয়ালৈ যোগানৰ ব্যৱস্থা কৰিব?

(গ) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা কিছু লোকে এতিয়ালৈকে BPL/APL কাৰ্ড নোপোৱাৰ কথাটোৰ বিষয়ে চৰকাৰ অৱগতনে? তেওঁলোকৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) সুলভ মূল্যৰ দোকানীসকলে কমিচন বঢ়াই দিয়াৰ বাবে দাবী উপস্থাপন কৰা কথাটো সঁচানে? যদি সঁচা, কেতিয়ালৈ কাৰ্য্যকৰী হ'ব?

(ঙ) সুলভ মূল্যৰ দোকানীসমূহৰ পূৰ্বৰ বাকী থকা কমিচনসমূহ বন্ধ হৈ থকাৰ কাৰণ কি? উক্ত ধন কেতিয়ালৈ মোকলাই দিয়াৰ ব্যৱস্থা কৰিব?

*বিষয় ঃ* **সুলভ মূল্যৰ দোকানৰ সংখ্যা**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৩৫৪। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈ অসমত কিমান সুলভ মূল্যৰ দোকান আছে জনাব।

(খ) এই দোকানসমূহৰ দ্বাৰা কি কি সামগ্ৰী ৰাইজলৈ যোগান ধৰা হয়।

(গ) কেৰাচিন তেলৰ হকাৰ আৰু ডিপো অসমৰ কোন কোন জিলাত কিমানখন আছে, বিতংকৈ জনাব।

(ঘ) এই কেৰাচিন তেলৰ হকাৰ আৰু ডিপোসমূহে লাভ কৰা কেৰাচিন তেলৰ পৰিমাণ বিতংকৈ জনাব।

(ঙ) কেৰাচিন তেলৰ হকাৰ আৰু ডিপোসমূহে লাভ কৰা কেৰাচিন তেলসমূহ

ৰাইজে লাভ কৰা বুলি বিভাগ নিশ্চিতনে? কেতিয়াবা চৰজমিন তদন্ত চলাইছে নেকি আৰু কিবা অনিয়ম ধৰা পৰিছিল নেকি?

*বিষয় ঃ* **বাদ পৰা দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক ৰেচন কাৰ্ড প্ৰদান।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

৩৫৫। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১ চনৰ Socio Economic Census মতে অসমৰ বিভিন্ন জিলা আৰু সমষ্টিত বহু দুখীয়া পৰিয়াল BPL ৰেচন কাৰ্ডৰ পৰা বঞ্চিত হৈছে, তেওঁলোকৰ বাবে বৰ্তমান চৰকাৰখনে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) ৩৫ নং অভয়াপুৰী দক্ষিণ সমষ্টিত কিমান ধনী মানুহৰ পৰা BPL ৰেচন কাৰ্ড ঘূৰাই অনা হ'ল আৰু নতুনকৈ কিমান দুখীয়া পাৰিয়ালক BPL ৰেচন কাৰ্ড দিয়া হ'ল? বিতং তালিকা সদনত দাখিল কৰিব।

(গ) সুলভ মূল্যত চেনি, আটা আৰু কেৰাচিন তেল দিয়াৰ ব্যৱস্থা কৰিবনে?

*Sub.* : **Khadi Bhander at Japarajan**

Dr. NUMAL MOMIN :

356. Will the Minister of Handloom, Textile & Sericulture be pleased to state :

(a) Under Khadi and village Industries, what are the different schemes sanctioned at Khadi Bhander, Japarajan under Bokajan LAC ?

(b) What is the status of Honey production in the said Khadi Bhander ?

*বিষয় ঃ* **ভূ-সংৰক্ষণ বিভাগে প্ৰকল্প**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৩৫৭। মাননীয় ভূ-সংরক্ষণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বিগত পাঁচ বছরে ভূ-সংরক্ষণ বিভাগের অধীনে করিমগঞ্জে কোন কোন বিধান সভা কেন্দ্রে, কোন কোন প্রকল্পের কাজ হয়েছে এবং বর্তমানে কোন কোন প্রকল্পের কাজ চলছে?

(খ) যে সকল প্রকল্পের কাজ চলছে সেগুলো বিভাগীয় অধিকারী করা তত্বাবধান করেন কি?

(গ) কাজের গুণগত মান যে নিম্ন এবং এতে যে সাধারণ নাগরিক সন্তুষ্ট নয় এর খবর সরকারের নিকট আছে কি? বিগত দিনে করিমগঞ্জে এই বিভাগের অধীনে যে সকল প্রকল্প বাস্তবায়িত হয়েছে সে গুলো যে ভেঙ্গে যাচ্ছে এই ব্যাপারে সরকার অৱগত কি? কি বিহীত ব্যবস্থা নিয়েছে সরকার?

(ঘ) বিগত পাঁচ বছরে উচ্চ স্তরীয় অধিকারীক কোন কোন প্রকল্প পর্যবেক্ষণে গেছেন? বিস্তারিত তথ্য সদনে জানাবেন।

*বিষয় ঃ* **ভূমি সংৰক্ষণ আঁচনি**

মোঃ নুৰুল হুদা ঃ

৩৫৮। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগৰ দ্বাৰা বৰ্তমান অসমত কি কি আঁচনি গ্ৰহণ কৰা হৈছে? এই আঁচনিসমূহ ৰূপায়ণৰ বাবে কি পদ্ধতি কৰা হৈছে? তাৰ বিতং তথ্য সদনত দাখিল কৰিব।

(খ) ২০১৬ চনৰ পৰা ২০১৯ চনলৈ এই বিভাগৰ দ্বাৰা নগাঁও জিলাত কি কি আঁচনি

ৰূপায়ণ কৰা হৈছে? আঁচনিৰ নাম, ধাৰ্য্য ধনৰ পৰিমাণ, ৰূপায়ণৰ বিতং তথ্য, উন্নয়ন খণ্ডৰ পৰ্য্যায়ক্ৰমে তথ্য দাখিল কৰিব।

(অনুমোদিত আঁচনি ৰূপায়ণ নোহোৱাকৈ বা আধৰুৱা আঁচনিসমূহৰ তথ্য পৃথকে পৃথকে দাখিল কৰিব)।

*বিষয় ঃ* **কাজলিপথাৰ IWMP**

শ্ৰীআমিনুল ইছলাম ঃ

৩৫৯। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলাৰ পৰা বিগত দিনত কি কি আঁচনি/প্ৰকল্পৰ প্ৰস্তাৱ লোৱা হৈছে? তাৰ ভিতৰত কোন কোন আঁচনি অনুমোদন কৰা হৈছে আৰু কি কি আঁচনিৰ বিপৰীতে এতিয়ালৈকে কিমান টকা মোকলাই দিয়া হৈছে?

(খ) নগাঁও জিলাৰ কাজলিপথাৰ IWMPৰ অধীনত এতিয়ালৈকে কি কি কাম কৰা হ'ল?

(কামৰ অগ্ৰগতিসহ তথ্য দিব)

(গ) নগাঁও জিলাত কি কি নতুন আঁচনি গ্ৰহণ কৰা হৈছে?

(অগ্ৰগতিৰ খতিয়ানসহ তথ্য দিব)

*বিষয় ঃ* **ৰেচম বিভাগৰ আঁচনি**

শ্ৰীআবুল কালাম আজাদ ঃ

৩৬০। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ দ্বাৰা বিগত তিনিটা বছৰত বৰপেটা জিলাত কি কি আঁচনি ৰূপায়ণ কৰিছে? সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব।

(খ) ভৱানীপুৰ সমষ্টিত এই বিভাগৰ দ্বাৰা বিগত তিনিটা বিত্তীয় বৰ্ষত কি কি আঁচনিৰ কাম চলি আছে আৰু কি কি কাম বাকী আছে? বাকী থকা কামবোৰ কিমান দিনৰ ভিতৰত শেষ হ'ব?

(গ) ভৱানীপুৰ সমষ্টিত এই বিভাগৰ দ্বাৰা নতুনকৈ কোনো আঁচনিৰ কাম হাতত লোৱা হৈছে নেকি? যদি লৈছে, তেন্তে সবিশেষ তথ্য সদনত দাখিল কৰিব।

*বিষয়ঃ* **পেনশনের অনিষ্পন্ন কেস**

শ্ৰীকমলাক্ষ দে পুরকায়স্থ ঃ

৩৬১। মাননীয় পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বর্তমান সরকার বলেছিলেন কী যে অৱসরের তিন মাসের মধ্যে সকল (বিশেষ করে শিক্ষকরা) তাদের পেনশন পেয়ে যাবেন? যদি বলে থাকেন, তবে এই ব্যাপারে কার্য্যকরী পদক্ষেপ গ্রহণ করা হয়েছে কি?

(খ) আজকের দিনে কতজন অৱসরপ্রাপ্ত সরকারী কর্মচারীদের পেনশন এখন বিচারাধীন/ Pending রয়েছে? জেলা ভিত্তিক বিভাগ অনুসারে বিস্তারিত তথ্য সদনে জমা করার অনুরোধ জানাই?

(গ) রাজ্যে অৱসর গ্রহনের পরপরই কর্মচারীদের Provisional Pension দেওয়া হয় কি?

(ঘ) Compensation Ground এর পেনশন স্কিমে এখন পর্যন্ত কতজন লোক পেনশন পেয়েছেন?

(ঙ) প্রণাম প্রকল্প রাজ্যে কার্যকরী হয়েছে কি? যদি হয়ে থাকে, তবে এই প্রকল্পের অধীনে আসামে এখন পর্যন্ত কতজন উপকৃত হয়েছেন? বিস্তারিত তথ্য সদনে জানাবেন।

*বিষয় ঃ* **বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন ইত্যাদি**

শ্রীআমিনুল ইছলাম ঃ

৩৬২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰু নগাঁও জিলাৰ জুৰীয়া ব্লকৰ অধীনস্থ কোন কোন গাঁও পঞ্চায়তত ষাঠি বছৰ বয়সোৰ্ধ লোকৰ সংখ্যা কিমান? তাৰ ভিতৰত কিমানজন ব্যক্তিক বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত সমৰি লোৱা হৈছে আৰু বাকী লোকসকলক কেতিয়া সামৰি লোৱা হ'ব?

(খ) উক্ত ব্লক দুখনৰ কোন কোন পঞ্চায়তত, কিমান সংখ্যক বিধৱা আছে আৰু তাৰ ভিতৰত কিমান সংখ্যক বিধৱা মহিলাই পেঞ্চন লাভ কৰি আছে? বাকী থকা বিধৱা মহিলাসকলক কেতিয়াৰ পৰা পেঞ্চন প্ৰদান কৰা হ'ব?

*বিষয় ঃ* **বিকলাংগ মানুহৰ আঁচনি**

শ্রীআবুল কালাম আজাদ ঃ

৩৬৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত সমাজ কল্যাণ বিভাগৰ দ্বাৰা বিকলাংগ মানুহৰ বাবে বিগত তিনিটা বিত্তীয় বৰ্ষত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব।

(খ) ভৱানীপুৰ সমষ্টিত বৰ্তমানে বিকলাংগৰ বাবে কি কি আঁচনিৰ কাম চলি আছে? চলিত আঁচনিৰ নামত কিমান টকা আবণ্টন দিছে? তথ্য দাখিল কৰিব।

(গ) অসম চৰকাৰে বিকলাংগ মানুহৰ বাবে নতুনকৈ কোনো আঁচনিৰ কাম হাতত লৈছে নেকি? যদি লৈছে, তথ্য দাখিল কৰিব।

*Sub.* : **Budget allocation and utilisation on minority welfare.**

Shri KAMALAKHYA DEY PURKAYSTHA :

364. Will the Minister of Welfare of Minorities be pleased to state :

(a) How much fund is allocated for minority welfare in the financial year 2011-12, 2012-13, 2013-14, 2014-15, 2015-16, 2016-17, 2017-18, 2018-19 and in the present financial year ?

(b) How much fund has been utilised out of the allocated fund in the above mentioned financial years ? Kindly give year-wise data.

(c) In what different schemes these funds are utilised in the above mentioned financial years ? Kindly give elaborate report on this.

(d) In the present financial year and also in the last financial years what numbers of minority students are benefited out of the facility of minority scholarship ? Give year-wise number.

(e) For minority welfare has there been plan of the Government fo establishing Minority colleges in

Assam ? If yes, in Karimganj District in which place and when the said college will be established ? Kindly give detailed report on this.

*বিষয় ঃ* **ভূমি সংৰক্ষণ আঁচনি**

শ্ৰীআবুল কালাম আজাদ ঃ

৩৬৫। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগৰ দ্বাৰা বিগত তিনিটা বিত্তীয় বৰ্ষত ভৱানীপুৰ সমষ্টিত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে জনাবনে? বিতং তথ্য সদনত দাখিল কৰিব।

(খ) এই আঁচনিসমূহৰ ৰূপায়ণৰ বাবে চৰকাৰে কিমান টকা আবণ্টন দিছে? আবণ্টন দিয়া ধনৰ কিমান টকা খৰচ হৈছে আৰু কিমান টকা বাকী আছে? বাকী থকা টকা কিমান দিনৰ ভিতৰত খৰচ কৰা হ'ব আৰু আঁচনিসমূহ কাৰ্য্যক্ষম হ'ব? বিতংভাৱে জনাব।

(গ) ভৱানীপুৰ সমষ্টিত নতুনকৈ আঁচনি ৰূপায়ণৰ বাবে চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, সবিশেষ বিতংভাৱে জনাব।

*বিষয় ঃ* **Child Protection Services এর অধীনে কর্মীদের চাকুরি নিয়মতকরণ।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৩৬৬। মাননীয় সমাজ কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসামে Child Protection Services এর অধীনে রাজ্যে বিভিন্ন Child Protection Unit– এ কাজ করা সর্বমোট কতজন কর্মী রয়েছেন? কবে থেকে তারা এই কাজে নিযুক্ত রয়েছেন?

(খ) এই কর্মীদের চাকুরি নিয়মিতকরণের জন্য সরকারের কোনো পরিকল্পনা আছে কি? বর্তমানে এইসকল কর্মচারীদের চাকুরীর অবস্থা কি? Child Protection Services এর অধীনে কাজ করা বিভিন্ন শ্রেণীর কর্মচারীদের বেতনের হার কি কি? এদের জন্য provident fund এর ব্যবস্থা রয়েছে কি?

(গ) বিভিন্ন রাজ্যে এই কর্মীদের চাকুরি যে নিয়মিতকরণ করা হয়েছে, এই ব্যাপারে সরকার অবগত কি? আসামে এদের চাকুরি নিয়মিতকরণ না করার কারণ কি?

---

Assam Government Press 84/20-LAQ-750-20-03-2020